NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাৰ ৱায়নাড জিলাৰ এটা সাহায্য শিবিৰ পৰিদৰ্শন কৰে আৰু ভূমিস্খলন প্ৰভাৱিত লোকসকলৰ সৈতে মত বিনিময় কৰে।

২ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে মূল বেংকিং খণ্ডৰ ওপৰত গুৰুত্ব আৰোপৰ আৱশ্যকতাত জোৰ দিছে।

৩। কেন্দ্ৰীয় সমবায় আৰু গৃহমন্ত্ৰী অমিত শ্বাহে ইথানল উৎপাদনৰ ক্ষেত্ৰত বহুমুখী আৰু ভৱিষ্যতমুখী দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

৪। বাংলাদেশৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধিশ অবেইদুল হাছানে পদত্যাগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

*আৰু*

৫। ভাৰতৰ ৰিতিকা হুদা অলিম্পিকৰ মহিলাৰ মল্লযুদ্ধৰ ৭৬ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী-ষ্টাইল শিতানৰ পৰা বাহিৰ হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাৰ ৱায়নাড জিলাৰ এটা সাহায্য শিবিৰ পৰিদৰ্শন কৰে আৰু ভূমিস্খলন প্ৰভাৱিত লোকসকলৰ সৈতে মত বিনিময় কৰে। পৰিদৰ্শন কালত প্ৰধানমন্ত্ৰীয়ে ভূমিস্খলৰ ঘটনাত পিতৃ-মাতৃক হেৰুওৱা দুগৰাকী বিদ্যাৰ্থী আৰু আত্মীয়স্বজনক হেৰুওৱা ১০ গৰাকী লোকক সান্তনা দিয়ে। তেওঁ লগতে মেপ্পাডিৰ এখন চিকিৎসালয় পৰিদৰ্শন কৰি একাংশ চিকিৎসাধী লোকৰ সৈতে কথা পাতে ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ভূমিস্খলনত বেয়াকৈ ক্ষতিগ্ৰস্ত চুৰমালা আৰু মুণ্ডক্কই এলেকা ভ্ৰমণ কৰে। তেওঁ চুৰমালাত সেনাই নিৰ্মাণ কৰা বেইলী দলঙো পৰিদৰ্শন কৰে। শ্ৰী মোদীয়ে চুৰমালা প্ৰায় ৫০ মিনিট সময় অতিবাহিত কৰে আৰু সেনা বাহিনী, বিশেষ অভিযান গোট আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনীৰ কৰ্মীৰ সৈতে মত বিনিময় কৰে। ইয়াৰ আগেয়ে পুৱাৰ ভাগত শ্ৰী মোদীয়ে বিমানেৰে পঞ্চিৰিৱট্টম, মুণ্ডক্কই আৰু আট্টামালাৰ ভূমিস্খলন প্ৰভাৱিত এলেকাসমূহ পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰীক কেৰালাৰ ৰাজ্যপাল আৰিফ মহম্মদ খান, মুখ্যমন্ত্ৰী পিনাৰাই বিজয়ন, পৰ্যটন, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ ৰাজ্য মন্ত্ৰী সুৰেশ গোপীয়ে সংগ দিয়ে।

০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে মূল বেংকিং খণ্ডৰ ওপৰত গুৰুত্ব আৰোপৰ আৱশ্যকতাত জোৰ দিছে। নতুন দিল্লীত আজি ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইৰ সঞ্চালক মণ্ডলীৰ সৈতে অনুষ্ঠিত বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীমতী সীতাৰমনে এই কথা প্ৰকাশ কৰে। তেওঁ বেংকসমূহক জমা আৰু ঋণ ৰাশিৰ সৈতে জড়িত মূল কামকাজসমূহত অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ আহ্বান জনায়।

বৈঠকত অংশগ্ৰহণ কৰি আৰ বি আইৰ গৱৰ্নৰ শক্তিকান্ত দাসে কয় যে, বেংকসমূহ সুদৰ হাৰ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সম্পূৰ্ণৰূপে স্বাধীন। জমা ধন আৰু ঋণৰ সুদৰ হাৰ সময়ে সময়ে বিনিয়ন্ত্ৰণ কৰা হয় বুলি আৰ বি আইৰ গৱৰ্নৰগৰাকীয়ে প্ৰকাশ কৰে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে চৰকাৰে বহু প্ৰতিক্ষিত বেংকিং নিয়ম সংশোধন অনাৰ হকে কাম কৰি আছে। ইয়াৰে ভিতৰত সমবায় বেংকিং খণ্ডৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ পুনৰ গঠন সংশোধন অন্যতম বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। নাম মনোনয়নৰ ব্যৱস্থা উপভোক্ত অনুকূল পদক্ষেপ বুলি উল্লেখ কৰি শ্ৰীমতী সীতাৰমনে কয় যে, এই পদক্ষেপৰ জৰিয়তে উপভোক্তাসকলে মনোনয়নৰ বিকল্প লাভ কৰাটো সুনিশ্চিত কৰা হ'ব আৰু মনোনীত ব্যক্তিয়ে সহজে যথোচিত অধিকাৰৰ দাবী সাবস্ত্য কৰিব। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে, এই আইনখনত নিয়ম মানি চলা সন্দৰ্ভত অৱগত কৰোৱাৰ দিন প্ৰতিমাহৰ দ্বিতীয় আৰু চতুৰ্থ শুকুৰবাৰৰ পৰিৱৰ্তে প্ৰতিমাহৰ ১৫ তাৰিখ আৰু অন্তিমটো দিন ধাৰ্য্য কাৰ ব্যৱস্থা কৰা হৈছে। লোকসভাত ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেট আৰু সংশোধনসহ বিত্ত বিধায়ক গৃহীত হোৱাৰ পাছতে অনুষ্ঠিত এই বৈঠক গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধৰীয়েও বৈঠকত উপস্থিত থাকে।

বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধৰীয়ে কালি লোকসভাত বেংকিং আইন সংশোধনী বিধেয়ক ২০২৪ উত্থাপন কৰে। এই বিধায়কখনৰ জৰিয়তে ১৯৩৪ চনৰ ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৪৯ চনৰ বেংকি নিয়ন্ত্ৰণ আইন, ১৯৫৫ চনৰ ভাৰতীয় ষ্টেট বেংক আইন, ১৯৭০ চনত বেংকিং কোম্পানী উপক্ৰম অধিগ্ৰহণ আৰু হস্তান্তৰ আইন আৰু ১৯৮০ চনৰ বেংকিং কোম্পানী উপক্ৰম অধিগ্ৰহণ আৰু হস্তান্তৰ আইনত সংশোধনৰ প্ৰস্তাব দিয়া হৈছে।

০০০০০০০০

কেন্দ্ৰীয় সমবায় আৰু গৃহমন্ত্ৰী অমিত শ্বাহে কুঁহিয়াৰৰ উপৰি ভঙা চাউল, অপচয় হোৱা ফল, বাঁহ আদিৰ দৰে উৎস ব্যৱহাৰ কৰি ইথানল উৎপাদনৰ ক্ষেত্ৰত বহুমুখী, ভৱিষ্যত সম্বন্ধীয় পদ্ধতি গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আজি নতুন দিল্লীত অনুষ্ঠিত হোৱা **নেচনেল ফেদাৰেচন অব্ ক'পাৰ্টিভ ছুগাৰ ফেক্টৰী লিমিটেডৰ** এখন বৈঠকত ভাষণ দি শ্ৰী শ্বাহে কয় যে, ইথানলৰ উৎপাদন এক লাভজনক ব্যৱসায় আৰু আগন্তুক কিছু বছৰত দেশক এহেজাৰ কোটি লিটাৰ ইথালনৰ প্ৰয়োজন হ'ব। তেওঁ লগতে কয় যে, জৈৱ ইন্ধন হিচাপে পেট্ৰ'লত ইথানল মিশ্ৰণৰ সীমা বৃদ্ধি কৰা হৈছে। শ্ৰী শ্বাহে কয় যে, চৰকাৰে ২০৩০ চনৰ ভিতৰত পেট্ৰ'লত ২০ শতাংশ ইথানল মিশ্ৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে লগতে ভৱিষ্যতলৈ এই মিশ্ৰণ ২৬ শতাংশলৈ বৃদ্ধি হ'ব বুলিও উল্লেখ কৰে। ইথানল ৰপ্তানিৰ সুযোগ সৃষ্টি কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত গোলকীয় জৈৱ ইন্ধন জোঁট গঠন কৰা হৈছে বুলি শ্ৰী শ্বাহে জানিবলৈ দিয়ে আৰু ইয়াৰ ফলত কৃষকসকলো উপকৃত হ'ব। শ্ৰী

শ্বাহে ভৱিষ্যতে ইথানলৰ ৰপ্তানি আৰু উৎপাদনৰ ক্ষমতা বৃদ্ধিৰ বাবে দেশ সাজু হ'ব লাগিব বুলিও গুৰুত্বসহকাৰে কয়।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত অধিক উৎপাদন ক্ষম জলবায়ু অনুকূল তথা জৈৱ পুষ্টিবৰ্ধন শস্যৰ ১০৯ টা প্ৰজাতি মুকলি কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে খেতিয়ক আৰু বিজ্ঞানীসকলৰ সৈতেও মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে জাৰি কৰা এটা বিবৃতিত এই বুলি কোৱা হৈছে যে, মুকলি কৰিবলগীয়া ১০৯টা প্ৰজাতিৰ ভিতৰত ৩৪ বিধ ব্যাপক এলেকাত ৰোপণ কৰিব পৰা শস্য আৰু ২৭ বিধ উদ্যান শস্য আছে। ব্যাপক এলেকাত ৰোপণ কৰিব পৰা ফচলসমূহৰ ভিতৰত মিলেট, বিভিন্ন খাদ্য শস্য, দানা জাতীয় শস্য, তৈল বীজ, দাইল, কুঁহিয়াৰ, কঁপাহ, আঁহজাতীয় শস্য আৰু অন্য সম্ভাৱনাপূৰ্ণ শস্য আছে। উদ্যান জাতীয় শস্যসমূহৰ ভিতৰত ফলমূল, শাক-পাচলি, ফুল আৰু ঔষধীয় গছ অন্যতম।

oooooooo

বাংলাদেশৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধিশ অবেইদুল হাছানে পদত্যাগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কেতবোৰ আনুষ্ঠানিকতা সম্পূৰ্ণ হোৱা পাছত ৰাষ্ট্ৰপতিৰ ওচৰত পদত্যাগ পত্ৰ অৰ্পণ কৰিব। উচ্চতম ন্যায়ালয়ৰ চৌদহত আজি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাৰত শ্ৰী হাছানে এই কথা প্ৰকাশ কৰে। প্ৰতিবাদৰত শিক্ষাৰ্থীসকলে আজি পুৱা অবেইদুল হাছান আৰু আপীল ন্যায়ালয়ৰ ন্যায়াধিশসকলক দিনৰ এক বজাৰ ভিতৰত পদত্যাগ কৰিবলৈ সময়সীমা বান্ধি দিয়াৰ পাছত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধিশগৰাকীয়ে পদ ত্যাগ কৰাৰ সিদ্ধান্ত লয়।

oooooooo

বিদেশ মন্ত্ৰী এছ্ জয়শংকৰে কৈছে যে,  মালদ্বীপ তথা অঞ্চলটোৰ জনসাধাৰণৰ উপকাৰৰ অৰ্থে দেশখনৰ সৈতে সম্পৰ্ক গভীৰ কৰি তুলিবলৈ ভাৰত বদ্ধপৰিকৰ। তিনি দিনীয়া ভ্ৰমণসূচীৰে মালদ্বীপলৈ যোৱা ড০ জয়শংকৰে দেশখনৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৰ সৈতে হোৱা সাক্ষাৎকাৰৰ পাছত সামাজিক মাধ্যম এক্স যোগে এই কথা প্ৰকাশ কৰে। ড০ জয়শংকৰে মালদ্বীপৰ প্ৰতিৰক্ষা মন্ত্ৰী মহম্মদ ঘাছন মোমুনকো সাক্ষাৎ কৰে। তেওঁলোকে প্ৰতিৰক্ষা আৰু সুৰক্ষা সহযোগিতা, সামুদ্ৰিক সুৰক্ষাৰ যুটীয়া উদ্যম আৰু অঞ্চলটোত শান্তি সুস্থিৰতা বৰ্তাই ৰখাৰ উমৈহতীয়া স্বাৰ্থ সম্পৰ্কে আলোচনা কৰে। বিদেশ মন্ত্ৰীগৰাকীয়ে মলদ্বীপৰ অৰ্থনৈতিক উন্নয়ন আৰু ব্যৱসায় মন্ত্ৰী, বিত্তমন্ত্ৰী আৰু মালদ্বীপ মোদ্ৰিক আৰ্থিক প্ৰাধীকৰণ গৱৰ্নৰকো দেখা কৰে। পাছত ড০ জয়শংকৰে ভাৰ্চুৱেল ব্যৱস্থাৰে মালদ্বীপৰ ২৮টা দ্বীপত পানী যোগান আৰু অনাময় প্ৰকল্প উদ্বোধন কৰে।

oooooooo

প্ৰসাৰ ভাৰতী বোৰ্ডৰ অধক্ষ্য নৱনীত কুমাৰ ছেহগলে আজি মুম্বাইৰ আকাশবাণী কেন্দ্ৰ পৰিদৰ্শন কৰে আৰু আকাশবাণী তথা দূৰদৰ্শনৰ বিষয়ে বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত শ্ৰী ছেহগলে বিষয়াসকলক অনুষ্ঠান প্ৰস্তুত কৰাৰ সময়ত শ্ৰোতাসকলৰ ৰুচিৰ কথা বিবেচনা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। দেশৰ চুকে-কোণে আকাশবাণীক ভালপোৱা লোক আছে বুলি উল্লেখ কৰি অধক্ষ্যগৰাকীয়ে মহিলা, যুৱ প্ৰজন্ম

আৰু খেতিয়কসহ বিভিন্ন শ্ৰেণীৰ শ্ৰোতাৰ বাবে অনুষ্ঠান প্ৰস্তুত কৰিবলৈ উৎসাহিত কৰে। তেওঁ লগতে পৰিৱৰ্তিত জীৱনশৈলী অনুযায়ী একাংশ অনুষ্ঠানৰ পৰ্যালোচনা কৰাৰ পৰামৰ্শ আগবঢ়ায়। উদ্যমশীলতা, দক্ষ্যতা বিকাশ আৰু ষ্টাৰ্টআপ উদ্যমত গুৰুত্ব আৰোপ কৰা অনুষ্ঠানৰ সংখ্যা বৃদ্ধি কৰিবলৈও তেওঁ পৰামৰ্শ দিয়ে।

০০০০০০০০

ভাৰতৰ ৰিতিকা হুদা শীৰ্ষ বাছনিপ্ৰাপ্ত কীৰ্গিজস্তানৰ মেডেত কিজি আইপেৰিৰ হাতত পৰাজিত হৈ পেৰিছ অলিম্পিকৰ মহিলাৰ মল্লযুদ্ধৰ ৭৬ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী-ষ্টাইল শিতানৰ পৰা বাহিৰ হৈছে। অদিতি অশোক আৰু দীক্ষা দাগৰেও গ'ল্ফৰ মহিলাৰ ব্যক্তিগত শিতানত ভাল ফল দেখুৱাত ব্যৰ্থ হৈছে। অদিতি বৰ্তমান ৩৩ সংখ্যক আৰু দীক্ষা ৫১ সংখ্যক স্থান আছে আৰু খেলুৱৈ দুগৰাকীৰ অলিম্পিক অভিযানৰ সামৰণি পৰাৰ সম্ভাৱনা প্ৰৱল হৈ উঠিছে। ভাৰতে এইবাৰৰ অলিম্পিকত এটা ৰূপ আৰু ৫টা ব্ৰঞ্জকে ধৰি মুঠ ৬টা পদক লাভ কৰিছে।

অমন শ্বেহৰাৱটে কালি পুৰুষৰ মল্লযুদ্ধৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানৰ ব্ৰঞ্জৰ পদকৰ যুঁজত পুৱেৰ্টো ৰিকোৰ ডেৰিয়ন ক্ৰুজক ১৩-৫ ফলাফলত পৰাভূত কৰি দেশৰ হকে পঞ্চমটো ব্ৰঞ্জৰ পদক অৰ্জন কৰে। এইবাৰৰ অলিম্পিকত এয়া ভাৰতৰ সামগ্ৰিকভাৱে ষষ্ঠটো আৰু মল্লযুদ্ধত প্ৰথমটো পদক।

০০০০০০০০

সমাপ্ত